অধ্যায় ৯ ঃ বিশ্বায়ন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ বিশ্বায়নৰ সংজ্ঞা

৯.৪ বিশ্বায়নৰ বৈশিষ্ট্য

৯.৫ বিশ্বায়নৰ ভিন ভিন দৃষ্টিভংগী

৯.৬ বিশ্বায়নৰ উপযোগিতা

৯.৭ বিশ্বায়নৰ সমালোচনা

৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৯ অধিক জানিবলৈ

৯.১০ অগ্রগতিৰ খতিয়ান

৯.১১ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি —

- বিশ্বায়নৰ সংজ্ঞা দিব পাৰিব
- বিশ্বায়নৰ বৈশিষ্ট্যবোৰ জানিব পাৰিব
- বিশ্বায়নৰ উপযোগিতা সম্পর্ক অৱগত হ'ব
- বিশ্বায়নৰ সমালোচনাবোৰৰ বিষয়ে জানিব পাৰিব

৯.২ পৰিচয়

বর্তমান হ'ল বিশ্বায়নৰ যুগ। বিশ্বায়ন নতুন ধাৰণা নহয়। ই প্রাচীন কালৰে পৰা চলি অহা এক অবিৰত বিশ্ব প্রক্রিয়া। বিশ্বায়নে পৃথিৱীৰ বিভিন্ন দেশ (ৰাজ্য মানুহ) ৰ মাজত সামাজিক সদিচ্ছা তথা পাৰস্পৰিক নির্ভৰশীলতা বর্তাই ৰখাৰ প্রয়াস কৰে। এন্থনী গিডেনচ্ৰ মতে বিশ্বায়ন হ'ল এনে এক প্রক্রিয়া যিটোৱে পৃথিৱীৰ সকলো মানুহৰ মাজত এটা সামাজিক সম্পর্ক স্থাপনৰ চেষ্টা চলায়। ব্যৱসায় আৰু বাণিজ্যত বিশ্বায়নৰ প্রভাৱৰ প্রতিফলন স্পষ্টকৈ দেখা যায়। ঠিক একেদৰে শিক্ষা, সংস্কৃতি আৰু প্রযুক্তিতো বিশ্বায়নৰ প্রভাৱ পৰিছে। মানুহৰ সামাজিক, ৰাজনৈতিক আৰু আর্থিক জীৱনত বিশ্বায়নৰ ইতিবাচক প্রভাৱ সুস্পষ্ট। প্রকৃতার্থত 'বিশ্বায়ন' অভিধাটোৰ বিশ্বৰ অর্থনৈতিক গতিবিধিৰ সৈতে বিশেষ সম্পর্ক আছে। বহুতেই ইয়াক 'সীমান্তহীন বিশ্ব' বুলি অভিহিত কৰে। বিশ্বায়নৰ বাবেই এখন দেশত উৎপাদিত সামগ্রী আন দেশলৈ আমদানি নাইবা

ৰপ্তানি কৰিব পৰা যায়। জীৱিকাৰ স্বাৰ্থত এখন দেশৰ লোক আন এখন দেশলৈ যায়। এই প্রক্রিয়াৰে এখন দেশৰ সংস্কৃতিও আন কোনো এখন দেশলৈ গতি কৰে। এই আলোচনাৰ পৰা আমি গম পালোঁ যে এনেকৈয়ে সমগ্র বিশ্বৰ লোক পৰস্পৰৰ ওপৰত নির্ভৰশীল হৈ পৰিছে।

বিশ্বায়ন এক বহুমুখী উদ্দেশ্যসম্পন্ন ব্যৱস্থা। ৰেজিঅ', টেলিভিছন, টেলিফোন আৰু ইণ্টাৰনেটৰ দৰে সংযোগ প্রণালীবোৰ হ'ল বিশ্বায়ন গঢ়ি তোলাৰ ব্যৱস্থা অথবা বিশ্বায়নৰ উৎস। বিশ্বয়নে সমগ পৃথিৱীৰ সৈতে সংযোগ স্থাপন কৰাৰ কামটো সৰল তথা তাৎক্ষণিক কৰি তুলিছে। বিশ্বয়নৰ প্রভাৱতে আন্তঃৰাষ্ট্রীয় পর্যটনৰ ক্ষেত্রখন যথেষ্ঠ উন্নত হৈছে। এচ. কে. মেলক'ট আৰু এইছ.এল. ষ্টিভেনৰ মতে, "বিশ্বায়নক বাস্তৱ কৰি তোলা ধাৰাবোৰে উন্নয়নৰ বাবে চলা সংযোগ প্রক্রিয়াবোৰ আৰু ৰাজনৈতিক, অর্থনৈতিক তথা আদর্শগত প্রক্রিয়াবোৰৰ মাজৰ যোগসূত্র অধিক স্পষ্ট আৰু সমস্যাপূর্ণ কৰি তুলিছে।"

৯.৩ বিশ্বায়নৰ সংজ্ঞা

বিশ্বায়নৰ সুনির্দিষ্ট তথা নির্ভুল সংজ্ঞা এটা আগবঢ়োৱাটো এক কঠিন কাম। বিশ্বায়ন হ'ল এটা জটিল প্রক্রিয়া। সেয়েহে ইয়াৰ কোনো সর্বজনগ্রাহ্য সংজ্ঞা গঢ় লৈ উঠা নাই। বিভিন্ন বুদ্ধিজীৱীয়ে বিভিন্ন ধৰণে বিশ্বায়নক সংজ্ঞৱদ্ধ কৰাৰ প্রয়াস কৰিছে। তেওঁলোকে ইয়াৰ বাবে ধাৰণাটোৰ সৈতে জড়িত সকলোবোৰ কাৰক অধ্যয়ন কৰিছে। অক্সফ'র্ড ইংলিছ অভিধানৰ সংজ্ঞা অনুসৰি 'বিশ্বায়ন' হ'ল 'বিশ্বব্যাপ্ত কৰা কার্য' the act of 'globalization'। 'বিশ্বায়ন' বুজোৱা ইংৰাজী শব্দ 'globalization' ৰ সৈতে সংলগ্ন বিশেষণ পদ 'global' ৰ অর্থ হ'ল 'সমগ্র বিশ্বকে সম্পর্কযুক্ত অথবা জড়িত কৰা; বিশ্বজোৱা; সার্বজনীন'। বিশ্ব স্বাস্থ্য সংস্থাৰ সংজ্ঞ অনুসৰি 'বিশ্বায়ন অথবা মানুহ আৰু দেশৰ মাজৰ ক্রমবর্দ্ধনশীল আন্তঃসম্পর্ক আৰু আন্তঃনির্ভৰশীলতাই সাধাৰণতে দুটা আন্তঃসংলগ্ন উপাদানৰ কথা বুজায় আন্তঃৰাষ্ট্রীয় সীমাৰ সিপাৰৰ সামগ্রী, সেৱা, মানুহ আৰু চিন্তা-ধাৰণাবোৰৰ ক্রমবর্দ্ধনশীল দ্রুত প্রবাহৰ অনুকূলে ৰাষ্ট্রবোৰৰ সীমান্ত উন্মুক্ত কৰি তোলা এনে প্রবাহ সুচল কৰি তুলবিলৈ অথবা পোষকতা কৰিবলৈ আন্তঃৰাষ্ট্রীয় আৰু ৰাষ্ট্রীয় পর্যায়ত প্রচললিত আনুষ্ঠানিক তথা নীতি বিষয়ক পন্থাবোৰ সলনি কৰা। এয়া এক স্বীকৃত সত্য যে বিশ্বায়নে উন্নয়নত ইতিবাচক আৰু নেতিবাচক দুয়ো ধৰণৰ প্রভাৱ পেলায়।" কিছুসংখ্যক চিন্তাবিদৰ মতে বিশ্বায়ন হ'ল এটা আন্তর্জাতিক সংহতি স্থাপনকাৰী তথা বলপ্রয়োগকাৰী ব্যৱস্থা। অর্থাৎ, যদি বিশ্বৰ বিভিন্ন ৰাষ্ট্রৰ মাজত ৰাজনৈতিক আৰু অর্থনৈতিক মতানৈক্যৰ সৃষ্টি হয়, তেন্তে বিশ্বায়নে এই মতানৈক্য আঁতৰাই এটা সকলোৰে সম্পর্ক থকা অর্থনৈতিক ব্যৱস্থা গঢ়ি তোলাৰ চেষ্টা কৰে। এডৱার্ড এছ. হার্মেনৰ সংজ্ঞা অনুসৰি "বিশ্বায়নক ৰাষ্ট্রৰ সীমান্ত অতিক্রম কৰি কর্প'ৰেট সম্প্রসাৰণ সম্ভৱপৰ কৰি তোলা এক সক্রিয় প্রক্রিয়া বোলাৰ লগতে ক্রমৱর্দ্ধনশীল তথা ক্রমপৰিৱর্তনশীল সীমান্ত অতিক্রমকাৰী সা-সুবিধা সৃষ্টি তথা অর্থনৈতিক যোগসূত্র স্থাপনকাৰী এটা গাঁথনি বুলিও অভিহিত কৰিব পাৰি।" প্রখ্যাত অর্থনীতিবিদ দীপক নায়াৰে

তেওঁৰ গ্ৰন্থ 'Governing Globalization' Issues and Institutions' ত লিখিছে, "বিশ্বায়নৰ যথার্থ সংজ্ঞা হিচাপে ইয়াকে ক'ব পাৰি যে ই হ'ল বিশ্ব অর্থনীতিৰ প্ৰেক্ষাপটত দুখন ৰাষ্ট্ৰৰ মাজৰ ক্ৰমবৰ্দ্ধনশীল অর্থনৈতিক উন্মুক্ততা, ক্ৰমবৰ্দ্ধনশীল অর্থনৈতিক আন্তঃনির্ভৰশীলতা তথা নির্ভৰশীল অর্থনৈতিক আন্তঃনির্ভৰশীলতা আৰু নির্ভৰশীল অর্থনৈতিক সংহতিৰ সৈতে জড়িত এটা প্ৰক্ৰিয়া।" জন বে'লিচ আৰু ষ্টিভ স্মিথে বিশ্বায়নক এনে এটা প্ৰক্ৰিয়া বুলি অভিহিত কৰিছে যিটোৰ দ্বাৰা সামাজিক সম্পর্কবোৰে আপেক্ষিকভাৱে দূৰত্বহীনতা আৰু সীমান্তহীনতাৰ বৈশিষ্ট্যবোৰ আহৰণ কৰে। জেক্‌চন আৰু চ'লেনচেনৰ সংজ্ঞা অনুসৰি "বিশ্বায়ন হ'ল আন্তঃৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰি অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক সম্পর্কবোৰ প্ৰসাৰিত তথা সুদৃঢ় কৰাৰ প্ৰক্ৰিয়া।"

ওপৰত উল্লেখ কৰা বিশ্বায়নৰ সংজ্ঞবোৰ অধ্যয়ন কৰিলে দেখা যাব যে বিশ্বায়নৰ উপযুক্ত আৰু বিশুদ্ধ সংজ্ঞা এটা নিৰূপন কৰাটো কঠিন। কিন্তু সংজ্ঞাবোৰৰ পৰা এই কথাই স্পষ্ট হয় যে বিশ্বায়ন হ'ল এটা প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াটো আন্তঃৰাষ্ট্ৰীয় পযচ্ছায়ত সক্ৰিয়। ই বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ মাজত থকা অর্থনৈতিক, ৰাজনৈতিক, সামাজিক তথা সাংস্কৃতিক সম্পর্কবোৰ অধিক ঘনিষ্ঠ তথা উন্নত কৰি তোলাৰ চেষ্টা চলায়।

৯.৪ বিশ্বায়নৰ বৈশিষ্ট্য

বিশ্বায়নৰ বিভিন্ন সংজ্ঞাৰ পৰা ইয়াৰ কেইটামান গুৰুত্বপূর্ণ বৈশিষ্ট্য বাহিৰ কৰা হৈছে। বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা হ'ল-

(ক) বিশ্বায়নৰ বাবে পৃথিৱীৰ ভৌগলিক সীমাৱদ্ধতা অতিক্ৰম কৰাৰ কামটো সহাজ হৈ পৰিছে। বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ মাজত সংযোগ স্থাপন কৰাটোও তেনেই উজু হৈ পৰিছে। বর্তমান যুগত বিজ্ঞান তথা প্ৰযুক্তি, টেলিভিচন, ইণ্টাৰনেট আদিৰ উন্নতি ঘটাৰ ফলত বিশ্বৰ যিকোনো প্ৰান্তৰে সংবাদ নিমিষতে গম পোৱা যায়। সেয়েহে, কোনো এখন ৰাষ্ট্ৰত সৃষ্টি হোৱা জৰুৰী অৱস্থাত তাৎক্ষণিকভাৱে দিহা-পৰামর্শ আৰু অৱস্থাৰ উপশম ঘটাব পৰা সহায় সাহায্য আগবঢ়াব পৰা যায়। অর্থাৎ, এতিয়া জ্ঞান কোনো ঢুকি নোপোৱা জগতৰ বিষয় হৈ থকা নাই।

(খ) দেখা গৈছে যে বিশ্বায়ন প্ৰক্ৰিয়াই যথেষ্ট কম সময়ৰ ভিতৰত কোনো সমস্যা সমাধান কৰে। বিশ্বায়নৰ বাবেই পৃথিৱীৰ বিভিন্ন দেশৰ মাজত সম্পর্ক স্থাপন হৈছে। ইয়াৰ ফলত সকলোৰে বাবে সংযোগ প্ৰক্ৰিয়াটো সহজ হৈ পৰিছে।

(গ) বিশ্বায়নৰ বিকাশ ঘটাৰ লগে লগে আন্তঃৰাষ্ট্ৰীয় সম্পর্কবোৰ উন্নততৰ আৰু সুদৃঢ় হৈছে। এখন দেশত চলি থকা কোনো সমস্যা সমাধান কৰাত অন্য দেশৰ সিদ্ধান্ত বলবৎ কৰাৰ কামটো সহজ হৈ পৰিছে। ঠিক একেদৰে বিশ্বায়নে মানুহকো ব্যক্তিগত ভাৱমুর্তি গঢ়ি তোলাত সহায় কৰাৰ লগতে বিভিন্ন দেশৰ ব্যক্তিৰ সৈতে সম্পর্ক স্থাপন কৰাৰ সুযোগ দিছে।

(ঘ) বিশ্বায়নৰ প্ৰধান উদ্দেশ্য হ'ল অৰ্থনৈতিক। কিন্তু ইয়াৰ প্ৰায় যিকোনো ৰূপতেই বিচাৰ কৰি চাব পাৰি। অৰ্থনীতিৰ উপৰি ইয়াৰ ৰাজনীতি, প্ৰযুক্তি, সংযেঙ্গগ আদি সকলোৰে লগত সম্পৰ্ক আছে।

(ঙ) বিশ্বায়নক আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু মূলধনৰ সঞ্চাৰ বৃদ্ধিকাৰী এক পৰিঘটনা বুলিব পাৰি। বিশ্বায়নৰ বাবেই অৰ্থনীতিয়ে ভৌগলিক চাৰিসীমা অতিক্ৰম কৰিব পাৰিছে।

(চ) বিশ্বায়নৰ লক্ষ্য হ'ল উন্নয়ন আৰু বিকাশ। নোৱাম ছোম্স্কীৰ মতে বিশ্বায়নৰ উদ্দেশ্য হ'ল বিভিন্ন ৰাষ্ট্ৰৰ মাজত এক সক্ৰিয় সম্পৰ্কৰ সৃষ্টি কৰা । এনে সু-সম্পৰ্ক সৃষ্টি কৰি পাৰস্পৰিক স্বয়ং সম্পূৰ্ণতাৰ দিশটো সবল কৰি তুলিব পাৰি। ছোম্স্কীৰ মতে বিশ্বায়ন হ'ল সবাতোকৈ শক্তিশালী আৰু ক্ষমতাশালী প্ৰক্ৰিয়া। ই সম্পৰ্কযুক্ত দেশবোৰৰ অৰ্থনৈতিক উন্নয়ন সাধন কৰিব পাৰে।

(ছ) বিশ্বায়নে বিভিন্ন ৰাষ্ট্ৰৰ মাজত অৰ্থনৈতিক সুস্থিৰতা স্থাপনৰ চেষ্টা চলায়। সুস্থিৰতা স্থাপন প্ৰক্ৰিয়াই বিভিন্ন ৰাষ্ট্ৰৰ মাজত পণ্যদ্ৰব্যৰ চাহিদা আৰু যোগান বিষয়ক অৰ্থনৈতিক ভাৰসাম্যৰ সৃষ্টি কৰে। এখন দেশত উদ্ভৱ হোৱা কোনো সামগ্ৰীৰ চাহিদা পূৰাব পৰাকৈ এতিয়া অন্য দেশে সহজে সেই সামগ্ৰীবিধ যোগান ধৰিব পৰা হৈছে। কাৰণ, বিশ্বায়নে ভৌগলিক চাৰিসীমাৰ সীমাৱদ্ধতা নাইকিয়া কৰিব পাৰিছে।

(জ) বিশ্বায়নৰ সৈতে এটা বিশ্বজনীন দৃষ্টিকোণ সংলগ্ন হৈ থকা দেখা যায়। এখন ৰাষ্ট্ৰৰ অধীন অঞ্চল এটা আন ৰাষ্ট্ৰৰ অধীনস্থ অঞ্চলবোৰতকৈ কোনো ধৰণে পৃথক নহয়। বিশ্বায়নে এই মতক বিশ্বাস কৰে। এই মতক ভিত্তি হিচাপে লৈ বিশ্বায়নে বিভিন্ন ৰাষ্ট্ৰৰ মাজত এটা অৰ্থনৈতিক ব্যৱস্থা গঢ়িতোলাৰ চেষ্টা চলায়। সমগ্ৰ বিশ্বখনকে ঐক্যৱদ্ধ কৰিবলৈ হ'লে বিশ্বৰ আটাইবোৰ ৰাষ্ট্ৰৰ বাবে বিকাশ আৰু সম্ভাৱনীয়তা চিনাক্তকৰণৰ বিষয় দুটা লক্ষ্য হোৱা উচিত। দীপক নায়াৰে কয় যে বিশ্বৰ মানুহ আৰু জনগোষ্ঠীসমূহৰ মাজত যথেষ্ট বৈচিত্ৰ্যতা আছে। এই বৈচিত্ৰ্যতা স্বত্বেও উন্নয়ন আৰু বিকাশ সম্ভৱপৰ কৰি তুলিব পৰা ব্যৱস্থা অথবা মাধ্যমটো হ'ল বিশ্বায়ন।

৯.৫ বিশ্বায়নৰ ভিন ভিন দৃষ্টিভংগী

বিশ্বায়নৰ উত্থান আৰু বিকাশ সম্পৰ্কে ভিন ভিন চিন্তাবিদে ভিন ভিন দৃষ্টিভংগী উপস্থাপন কৰিছে। সেইবোৰ অধ্যায়ন কৰি বিভিন্ন আদৰ্শক নানা দৃষ্টিভংগীৰ প্ৰতিফলন বুলি ক'ব পৰা গৈছে। এনে দৃষ্টিভংগী দুটামান হ'ল-

(ক) বাস্তৱবাদী দৃষ্টিভংগী ঃ বাস্তৱবাদী চিন্তাবিদসকলৰ মতে বিশ্বায়নে প্ৰকৃতাৰ্থত পৃথিৱীৰ ৰাষ্ট্ৰবোৰৰ আভ্যন্তৰীণ আৰু সাৰ্বভৌম প্ৰকৃতিক কোনোধৰণে প্ৰভাৱিত কৰিব নোৱাৰে। বিশ্বৰ মানুহকো ই কোনো ধৰণে প্ৰভাৱিত নকৰে।

(খ) উন্নয়নমূলক দৃষ্টিভংগী ঃ এই দৃষ্টিভংগী অনুসৰি বিশ্বায়নৰ বাবে কোনো ধৰণৰ

উন্নয়নমূলক কাম-কাজৰ বিকাশ ঘটা নাই। ১৯৪৭ চনতেই বিশ্বৰ বিভিন্ন নেতাই GATT সন্মিলন গঠন কৰিছিল। ই পৃথিৱীৰ কোনো উন্নয়ন সাধন কৰিব নোৱাৰিলে।

(গ) উদাৰবাদী দৃষ্টিভংগী ঃ এই দৃষ্টিভংগীৰ সমর্থকসকলৰ মতে বিশ্বায়নে আন্তঃৰাষ্ট্ৰীয় সম্পর্ক গঢ়িব আৰু দেশবোৰৰ মাজত সহায়ৰ মাত্রা বৃদ্ধি কৰিব পাৰে। পৃথিৱীৰ মানুহৰ সম্ভাব্য দৃষ্টিভংগী সলনি কৰাৰ সামর্থও বিশ্বায়নে বহন কৰে।

(ঘ) মাক্সীয় দৃষ্টিভংগী ঃ মার্ক্সবাদীসকলৰ মতে বিশ্বায়নে পুঁজিবাদৰ মাত্রা বৃদ্ধি কৰিব পাৰে। বিশ্বায়নৰ কোনো নতুন সুফল নাই। ই কোনো ৰাজনৈতিক আৰু সামাজিক পৰিৱর্তন সাধন কৰিব নোৱাৰে। ই কেৱল পুঁজিবাদৰ এক অতিৰিক্ত পথ্য। উন্নয়নবাদী দৃষ্টিভংগীৰ দৰে মার্ক্সীয় দৃষ্টিভংগীয়েও বিশ্বায়নৰ ধাৰণাটো গ্রাহ্য নকৰে।

৯.৬ বিশ্বায়নৰ উপযোগিতা

(ক) আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়-বাণিজ্যৰ ক্ষেত্রত বিশ্বায়নৰ উপযোগিতা আছে। ব্যৱসায়ৰ বাবে প্রয়োজনীয় বিভিন্ন সামগ্রী, কেঁচামাল আদি এখন দেশৰ পৰা আন একন দেশলৈ আমদানি- ৰপ্তানি কৰাটো বিশ্বায়নৰ বাবে সহজ হৈ পৰিছে। বর্তমান আনকি ব্যৱসায়ৰ বাবে অন্য দেশৰ পৰা ঋণো ল'ব পৰা হৈছে। অর্থাৎ, বিশ্বায়নৰ বাবে পাৰস্পৰিকঅর্থনীতি সহজ তথা সম্ভৱ হৈছে।

(খ) বিশ্বায়নে প্রতিযোগিতা বৃদ্ধি কৰিছে। সেয়েহে উৎপাদিত সামগ্রীবোৰৰ পৰিমাণ বৃদ্ধি পাইছে। আনহাতে, বিজ্ঞান আৰু প্রযুক্তিৰ বিকাশৰ বাবে সামগ্রীৰ মান উন্নত হৈছে। এই বিকাশো বিশ্বায়নৰ বাবেই সম্ভৱপৰ হৈছে।

(গ) বিশ্বায়নে কৃষি, পৰিবহন আৰু সংযোগ ক্ষেত্রবো উন্নতি সাধন কৰিছে। বিশ্বায়নৰ ফলতেই এখনদেশত উৎপাদিত সামগ্রী সহজে পৃথিৱীৰ আন দেশত পোৱা হৈছে। অর্থাৎ, আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়-বাণিজ্য বৃদ্ধিৰ এটা গুৰুত্বপূর্ণ কাৰক হ'ল বিশ্বায়ন।

(ঘ) বিজ্ঞান আৰু প্রযুক্তিৰ বিকাশে ৰাষ্ট্রবোৰৰ শ্রমিক আইন, অর্থনৈতিক নীতি আৰু শুল্ক আদায়ৰ ব্যৱস্থা আদি অন্য ৰাষ্ট্রৰ বাবেও গ্রহণযোগ্য কৰি তুলিছে।

(ঙ) বর্তমান আমাৰ চৌপাশে পাৰিপার্শ্বিক ধ্বংসৰ কাম চলি আছে। বিশ্বায়নে পাৰিপার্শ্বিক সুৰক্ষিত ৰখাত সহায় কৰিব পাৰে আৰু পাৰিপার্শ্বিক ধ্বংসৰ কুফলবোৰৰ বিষয়ে তথ্য ভাগ-বাটোৱাৰা তথা প্রচাৰ কৰিব পাৰে। অর্থাৎ, বিশ্বায়নে পাৰিপার্শ্বিকৰবহনক্ষমতা বৃদ্ধিত সহায় কৰে।

(চ) বিশ্বায়নে মানুহৰ মানসিক বিকাশ আৰু উন্নতি সাধন কৰাৰ লগতে সাংস্কৃতিক উন্নয়ন সম্ভৱপৰ কৰি তোলে। প্রতিটো মানৰ সম্প্রদায়ৰেনিজস্ব সংস্কৃতি, সভ্যতা আৰু লোকগাথা আছে। বিশ্বায়নে সম্প্রদায়বোৰক বিশ্বৰ আন অংশত নিজৰ সংস্কৃতি বিয়পোৱাত সহায় কৰে।

৯.৭ বিশ্বায়নৰ সমালোচনা

সকলো কথাৰে ভাল-বেয়া দুয়োটা দিশ থাকে। বিশ্বায়নৰো কিছুমান আসোঁৱাহ আছে আৰু ধাৰণাটোক সেইবোৰে সমালোচনাও কৰা হয়। বিশ্বায়নৰ কিছুমান সমালোচনা তলত উল্লেখ কৰা হ'ল-

(ক) বিশ্বায়নক পশ্চিমীয়া সংস্কৃতি আৰু সভ্যতাৰ উন্নয়ন তথা বিকাশৰ এক ধাৰণা বুলি ক'ব পাৰি। সেয়েহে পৃথিৱীৰ সকলো ৰাষ্ট্ৰৰ বাবে ইয়াৰ ইতিবাচক সুফল উপভোগ কৰাটো সম্ভৱ নহয়। ই সাধাৰণ মানুহক কিমান সহায় কৰিব তাতো সন্দেহৰ অৱকাশ আছে।

(খ) বহুতো চিন্তাবিদে বিশ্বায়নৰ সমালোচনা কৰিছে. কাৰণ, তেওঁলোকে ভাবে যে বিশ্বায়ন হ'ল পশ্চিমীয়া সভ্যতা আৰু পুঁজিবাদৰ বিকাশ তথা প্ৰসাৰত সহায় কৰা এটা উৎস। এইটো কাৰণতে বহুতো সমাজ বিজ্ঞানীয়ে বিশ্বায়নৰ সমালোচনা কৰিছে।

(গ) বহুতো চিন্তাবিদৰ মতে মুক্ত বাণিজ্য, মুক্ত বজাৰ আৰু মুক্ত অৰ্থনীতিয়ে পৃথিৱীত নেতিবাচক প্ৰভাৱ পেলাইছে. অস্ত্ৰ-শস্ত্ৰ, সুৰা আদিৰ দৰে নিচাযুক্ত দ্ৰব্যই আধিপতা বিস্তাৰকাৰী অথবা শোষণকাৰীৰ ভূমিকা ল'ব পাৰে। বিশ্বায়নৰ বাবে শিশু শ্ৰমিকৰ সংখ্যা বঢ়াৰ সম্ভাৱনাও আছে। অৰ্থাৎ,বিশ্বায়নৰ বাবে অনুন্নত দেশবোৰৰ যথেষ্ট ক্ষতি হ'ব পাৰে।

(ঘ) দেখা গৈছে যে মানৱ অধিকাৰ সংস্থা আৰু পৰিৱেশবাদী সকলে বিশ্বায়নৰ সমৰ্থন নকৰে। ঠিক একেদৰে দক্ষিণ আমেৰিকান দেশবোৰেও ধাৰণাটোলৈ সমৰ্থন জনোৱা নাই।

ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰোঁ যে বিশ্বায়নৰ প্ৰক্ৰিয়াটো যদি সঠিক আৰু উপযুক্তভাৱে কামত প্ৰয়োগ কৰিব পৰা যায়, তেন্তে ই সমগ্ৰ পৃথিৱীখনৰ উপকাৰ সাধন কৰিব। কিন্তু যদি ইয়াৰ প্ৰয়োগ অনুপযুক্ত হয়, তেন্তে ইয়াৰ পৰিণামো নেতিবাচক হ'ব।



অগ্ৰগতি নিৰীক্ষণ

১। বিশ্বায়নে কি বৰ্তাই ৰখাৰ চেষ্টা কৰে?

২। বিশ্বায়ক কিয় এটা বহুমুখী উদ্দেশ্যসম্পন্ন ব্যৱস্থা বুলি কোৱা হয়?

৩। বিশ্বায়নৰ এক স্থিৰ সংজ্ঞা নিৰূপণ কৰাটো কিয় কঠিন?

৪। দীপক নায়াৰে লিখা গ্ৰন্থখনৰ নাম কি?

৫। বিশ্বায়নৰ যিকোনো এটা বৈশিষ্ট্য উল্লেখ কৰক।

৬। বিশ্বায়ন সম্পৰ্কে নোৱাম চোম্স্কীয়ে আগবঢ়োৱা দৃষ্টিভংগীটো উল্লেখ কৰক।

৭। বিশ্বায়নৰ বিভিন্ন দৃষ্টিভংগী অথবা আদর্শবোৰ কি কি?

৮। বিশ্বায়ন বাবে পণ্যদ্রব্যৰ মান কেনেকৈ উন্নততৰ হৈছে?

৯। বিশ্বায়নৰ মার্ক্সীয় দৃষ্টিভংগীটো চমুকৈ ব্যাখ্যা কৰক।

১০। বিশ্বায়নৰ যিকোনো এটা সমালোচনাৰ বিষয়ে লিখক।



৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এন্থনী গিডেনচ্ৰ মতে বিশ্বায়ন হ'ল এনে এক প্রক্রিয়া যিটোৱে পৃথিৱীৰ সকলো মানুহৰ মাজত এটা সামাজিক সম্পর্ক স্থাপনৰ চেষ্টা চলায়।
- 'বিশ্বায়ন' অভিধাটোৰ বিশ্বৰ অর্থনৈতিক গতিবিধিৰ সৈতে বিশেষ সম্পর্ক আছে।
- বিশ্বায়নৰ এটা গুৰুত্বপূর্ণ অর্থ হ'ল 'সীমান্তহীন বিশ্ব'।
- বিশ্বয়নৰ প্রভাৱতে আন্তঃৰাষ্ট্রীয় পর্যটনৰ ক্ষেত্রখন যথেষ্ঠ উন্নত হৈছে।
- বিশ্বায়ন হ'ল এটা আন্তর্জাতিক সংহতি স্থাপনকাৰী তথা বলপ্রয়োগকাৰী ব্যৱস্থা।
- বিশ্বায়ন হ'ল এটা প্রক্রিয়া। এই প্রক্রিয়াটো আন্তঃৰাষ্ট্রীয় পযচ্ছায়ত সক্রিয়। ই বিশ্বৰ বিভিন্ন ৰাষ্ট্রৰ মাজত থকা অর্থনৈতিক, ৰাজনৈতিক, সামাজিক তথা সাংস্কৃতিক সম্পর্কবোৰ অধিক ঘনিষ্ঠ তথা উন্নত কৰি তোলাৰ চেষ্টা চলায়।
- বিশ্বায়নৰ বাবে পৃথিৱীৰ ভৌগলিক সীমাৱদ্ধতা অতিক্রম কৰাৰ কামটো সহাজ হৈ পৰিছে। বিশ্বৰ বিভিন্ন ৰাষ্ট্রৰ মাজত সংযোগ স্থাপন কৰাটোও তেনেই উজু হৈ পৰিছে।
- বিশ্বায়নৰ বিকাশ ঘটাৰ লগে লগে আন্তঃৰাষ্ট্রীয় সম্পর্কবোৰ উন্নততৰ আৰু সুদৃঢ় হৈছে।
- বিশ্বায়নৰ লক্ষ্য হ'ল উন্নয়ন আৰু বিকাশ।
- বিশ্বায়নে বিভিন্ন ৰাষ্ট্রৰ মাজত অর্থনৈতিক সুস্থিৰতা স্থাপনৰ চেষ্টা চলায়।
- সমগ্র বিশ্বখনকে ঐক্যৱদ্ধ কৰিবলৈ হ'লে বিশ্বৰ আটাইবোৰ ৰাষ্ট্রৰ বাবে বিকাশ আৰু সম্ভাৱনীয়তা চিনাক্তকৰণৰ বিষয় দুটা লক্ষ্য হোৱা উচিত।
- বিশ্বায়নৰ চাৰিটা প্রধান দৃষ্টিভংগী আছে- বাস্তৱবাদী, উন্নয়নমূলক, উদাৰকাদী আৰু মার্ক্সীয় দৃষ্টিভংগী।
- আন্তঃৰাষ্ট্রীয় ব্যৱসায়-বাণিজ্যৰ ক্ষেত্রত বিশ্বায়নৰ উপযোগিতা আছে।
- বিশ্বায়নে প্রতিযোগিতা বৃদ্ধি কৰিছে। সেয়েহে উৎপাদিত সামগ্রীবোৰৰ পৰিমাণ বৃদ্ধি পাইছে। আনহাতে, বিজ্ঞান আৰু প্রযুক্তিৰ বিকাশৰ বাবে সামগ্রীৰ মান উন্নত হৈছে।
- বিশ্বায়নে কৃষি, পৰিবহন আৰু সংযোগ ক্ষেত্রৰো উন্নতি সাধন কৰিছে।
- বিশ্বায়নে মানুহৰ মানসিক বিকাশ আৰু উন্নতি সাধন কৰাৰ লগতে সাংস্কৃতিক উন্নয়ন সম্ভৱপৰ কৰি তোলে।

- বিশ্বায়নক পশ্চিমীয়া সংস্কৃতি আৰু সভ্যতাৰ উন্নয়ন তথা বিকাশৰ এক ধাৰণা বুলি ক'ব পাৰি।
- বহুতো চিন্তাবিদে বিশ্বায়নৰ সমালোচনা কৰিছে. কাৰণ, তেওঁলোকে ভাবে যে বিশ্বায়ন হ'ল পশ্চিমীয়া সভ্যতা আৰু পুঁজিবাদৰ বিকাশ তথা প্ৰসাৰত সহায় কৰা এটা উৎস।
- বহুতো চিন্তাবিদৰ মতে মুক্ত বাণিজ্য, মুক্ত বজাৰ আৰু মুক্ত অৰ্থনীতিয়ে পৃথিৱীত নেতিবাচক প্ৰভাৱ পেলাইছে. অস্ত্ৰ-শস্ত্ৰ, সুৰা আদিৰ দৰে নিচাযুক্ত দ্ৰব্যই আধিপতা বিস্তাৰকাৰী অথবা শোষণকাৰীৰ ভূমিকা ল'ব পাৰে।



৯.৯অধিক জানিবলৈ

C.E.M. Joad: Guide to Modern Thought

John Christman: Social and Political Philosophy

J.S.Mackenzie: An Introduction to Social Philosophy

A.K.Sinha: Social Philosophy

Justin Ervin, Z. A. Smith: Globalization: A Reference Handbook

Ronald Robertson: Globalization: Social Theory and Global Culture



৯.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বায়নে পৃথিৱীৰ বিভিন্ন দেশ (আৰু মানুহ) ৰ মাজত সামাজিক সদিচ্ছা তথা পাৰস্পৰিক নিৰ্ভৰশীলতা বৰ্তাই ৰখাৰ প্ৰয়াস কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বায়ন এক বহুমুখী উদ্দেশ্যসম্পন্ন ব্যৱস্থা। ৰেজিঅ', টেলিভিছন, টেলিফোন আৰু ইণ্টাৰনেটৰ দৰে সংযোগ প্ৰণালীবোৰ হ'ল বিশ্বায়ন গঢ়ি তোলাৰ ব্যৱস্থা অথবা বিশ্বায়নৰ উৎস। বিশ্বয়নে সমগ পৃথিৱীৰ সৈতে সংযোগ স্থাপন কৰাৰ কামটো সৰল তথা তাৎক্ষণিক কৰি তুলিছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বায়নৰ সুনিৰ্দিষ্ট তথা নিৰ্ভুল সংজ্ঞা এটা আগবঢ়োৱাটো এক কঠিন কাম। বিশ্বায়ন হ'ল এটা জটিল প্ৰক্ৰিয়া। সেয়েহে ইয়াৰ কোনো সৰ্বজনগ্ৰাহ্য সংজ্ঞা গঢ় লৈ উঠা নাই।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ 'Governing Globalization' Issues and Institutions'

৫ নং প্রশ্নৰ উত্তৰ ঃ বিশ্বায়নৰ বাবে পৃথিৱীৰ ভৌগলিক সীমাৱদ্ধতা অতিক্রম কৰাৰ কামটো সহাজ হৈ পৰিছে। বিশ্বৰ বিভিন্ন ৰাষ্ট্রৰ মাজত সংযোগ স্থাপন কৰাটোও তেনেই উজু হৈ পৰিছে। বর্তমান যুগত বিজ্ঞান তথা প্রযুক্তি, টেলিভিচন, ইণ্টাৰনেট আদিৰ উন্নতি ঘটাৰ ফলত বিশ্বৰ যিকোনো প্রান্তৰে সংবাদ নিমিষতে গম পোৱা যায়। সেয়েহে, কোনো এখন ৰাষ্ট্রত সৃষ্টি হোৱা জৰুৰী অৱস্থাত তাৎক্ষণিকভাৱে দিহা-পৰামর্শ আৰু অৱস্থাৰ উপশম ঘটাব পৰা সহায় সাহায্য আগবঢ়াব পৰা যায়। অর্থাৎ, এতিয়া জ্ঞান কোনো ঢুকি নোপোৱা জগতৰ বিষয় হৈ থকা নাই।

৬ নং প্রশ্নৰ উত্তৰ ঃ নোৱাম ছোম্স্কীৰ মতে বিশ্বায়নৰ উদ্দেশ্য হ'ল বিভিন্ন ৰাষ্ট্রৰ মাজত এক সক্রিয় সম্পর্কৰ সৃষ্টি কৰা । এনে সু-সম্পর্ক সৃষ্টি কৰি পাৰস্পৰিক স্বয়ং সম্পূর্ণতাৰ দিশটো সবল কৰি তুলিব পাৰি।

৭ নং প্রশ্নৰ উত্তৰ ঃ বিশ্বায়নৰ চাৰিটা প্রদান দৃষ্টিভংগী আছে- বাস্তৱবাদী, উন্নয়নমূলক, উদাৰবাদী আৰু মার্ক্সীয় দৃষ্টিভংগী।

৮ নং প্রশ্নৰ উত্তৰ ঃ বিশ্বায়নে প্রতিযোগিতা বৃদ্ধি কৰিছে। সেয়েহে উৎপাদিত সামগ্রীবোৰৰ পৰিমাণ বৃদ্ধি পাইছে। আনহাতে, বিজ্ঞান আৰু প্রযুক্তিৰ বিকাশৰ বাবে সামগ্রীৰ মান উন্নত হৈছে।

৯ নং প্রশ্নৰ উত্তৰ ঃ মার্ক্সবাদীসকলৰ মতে বিশ্বায়নে পুঁজিবাদৰ মাত্রা বৃদ্ধি কৰিব পাৰে। বিশ্বায়নৰ কোনো নতুন সুফল নাই। ই কোনো ৰাজনৈতিক আৰু সামাজিক পৰিৱর্তন সাধন কৰিব নোৱাৰে। ই কেৱল পুঁজিবাদৰ এক অতিৰিক্ত পথ্য। উন্নয়নবাদী দৃষ্টিভংগীৰ দৰে মার্ক্সীয় দৃষ্টিভংগীয়েও বিশ্বায়নৰ ধাৰণাটো গ্রাহ্য নকৰে।

১০ নং প্রশ্নৰ উত্তৰ ঃ বিশ্বায়নক পশ্চিমীয়া সংস্কৃতি আৰু সভ্যতাৰ উন্নয়ন তথা বিকাশৰ এক ধাৰণা বুলি ক'ব পাৰি। সেয়েহে পৃথিৱীৰ সকলো ৰাষ্ট্রৰ বাবে ইয়াৰ ইতিবাচক সুফল উপভোগ কৰাটো সম্ভৱ নহয়। ই সাধাৰণ মানুহক কিমান সহায় কৰিব তাতো সন্দেহৰ অৱকাশ আছে।



৯.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন-

১। বিশ্বায়নৰ প্রতিফলন ক'ত দেখা পোৱা যায়?

২। বিশ্বায়নৰ সম্পর্কে এছ. কে. মেলকচ্ট আৰু এইছ. এল. ষ্টিভেনে আগবঢ়োৱা দৃষ্টিভংগীটো উল্লেখ কৰক।

৩। এডৱার্ড এছ. হার্মেনৰ দৃষ্টিভংগীৰ আধাৰত বিশ্বায়নৰ সংজ্ঞা দিয়ক।

৪। বিশ্বায়নৰ প্রধান উদ্দেশ্যটো কি?

৫। বিশ্বায়নৰ প্ৰধান লক্ষ্য কি?

৬। বিশ্বায়নৰ সম্পৰ্কে দীপক নায়াৰৰ দৃষ্টিভংগী কি?

৭। অৰ্থনৈতিক সুস্থিৰতা বুলিলে কি বুজে?

৮। পৃথিৱীৰ প্ৰতিখন ৰাষ্ট্ৰৰ বাবে বিশ্বায়নৰ ইতিবাচক সুফল লাভ কৰাটো কিয় সম্ভৱ নহয়?

৯ । মানৱ অধিকাৰ সংস্থা আৰু পৰিৱেশবাদীসকলে বিশ্বায়নক সমৰ্থন কৰেনে?

১০। দক্ষিণ আমেৰিকাৰ দেশবোৰে বিশ্বায়নক সমৰ্থন কৰেণে?

(খ) চুটি প্ৰশ্ন (প্ৰায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

১। বিশ্বায়নক কিয় 'সীমান্তহীন বিশ্ব' বুলি কোৱা হয়?

২। বিশ্বায়নক কিয় এটা বহুমুখী উদ্দেশ্যসম্পন্ন ব্যৱস্থা বুলি কোৱা হয়?

৩। বিশ্বায়নৰ উপযুক্ত আৰু নিৰ্ভুল সংজ্ঞা আগবঢ়োৱাটো কিয় সম্ভৱ নহয়?

৪। বিশ্বায়নৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

৫। বিশ্বায়নৰ দুটা সমালোচনা উল্লেখ কৰক।

(গ) চুটি প্ৰশ্ন (প্ৰায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

১। বিশ্বায়নৰ বাস্তৱবাদী দৃষ্টিভংগী

২। বিশ্বায়নৰ উন্নয়নমূলক দৃষ্টিভংগী

৩। বিশ্বায়নৰ উদাৰবাদী দৃষ্টিভংগী

৪। বিশ্বায়নৰ মাৰ্ক্সীয় দৃষ্টিভংগী

৫। বিশ্বায়ন আৰু বিশ্বজনীন দৃষ্টিভংগী

(ঘ) চুটি প্ৰশ্ন (প্ৰায় ৩০০ টা মান শব্দত উত্তৰ দিয়ক)

১। বিশ্বায়নৰ সমালোচনামূলক ব্যাখ্যা আগবঢ়াওক।

২। বিশ্বায়নৰ বৈশিষ্ট্যসমূহৰ এটা টোকা প্ৰস্তুত কৰক।

৩। বিশ্বায়নৰ উপযোগিতাবোৰ কি কি?

৪। বিশ্বায়নৰ সম্পৰ্কীয় দৃষ্টিভংগীবোৰ ব্যাখ্যা কৰক।

৫। বিশ্বায়নৰ বহল সংজ্ঞা দাঙি ধৰক।

** ***** **